**Lungs cancer medicine developed by CSIR-NEIST, Jorhat from plants extracts**

### চিকিৎসা ক্ষেত্ৰলৈ উঃপূব বিজ্ঞান প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ অৱদান

# অসমৰ ভেষজ উদ্ভিদেৰে হাওঁফাওঁৰ কেন্সাৰ প্ৰতিৰোধৰ ঔষধ উদ্ভাৱন

■ **অশোক কুমাৰ বৰুৱা, যোৰহাট, ১ জানুৱাৰী** ঃ উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ বিজ্ঞানীসকলে বিগত প্ৰায় ছবছৰ ধৰি চলোৱা নিৰন্তৰ গৱেষণাৰ অন্তত অসমৰ বিভিন্ন প্ৰজাতিৰ ঔষধি উদ্ভিদৰ উপাদান গ্ৰহণ কৰি হাওঁফাওঁৰ কেন্সাৰ প্ৰতিৰোধক এক চমকপ্ৰদ ফলদায়ী ঔষধ উদ্ভাৱন কৰিবলৈ সক্ষম হৈছে। সম্প্ৰতি দেশৰ এটা প্ৰখ্যাত ফাৰ্মাচিউটিকেল কোম্পানীয়ে এই বিশেষ ঔষধবিধৰ ক্লিনিকেল টেষ্ট চলাই আছে ■ *১০ পৃষ্ঠাত*



■ *কলাক্ষেত্ৰত আয়োজিত নৱবৰ্ষ মহোৎসৱৰ সাংস্কৃতিক অনুষ্ঠান, দেওবাৰে*

# অসমৰ ভেষজ উদ্ভিদেৰে হাওঁফাওঁৰ কেন্সাৰ প্ৰতিৰোধৰ ঔষধ উদ্ভাৱন

■ *প্ৰথম পৃষ্ঠাৰ পৰা* আৰু হাওঁফাওঁৰ কেন্সাৰত আক্ৰান্ত ৰোগীৰ দেহত ঔষধবিধে অভাৱনীয় সুফল প্ৰদান কৰাটো নিশ্চিত হৈছে। গতিকে উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ বিজ্ঞানীসকলে উদ্ভাৱন কৰা এই অভিনৱ ঔষধবিধ বজাৰত অচিৰেই উপলব্ধ হোৱাৰ সম্ভাৱনা আছে বুলি সদৰী কৰিছে প্ৰতিষ্ঠানটোৰ সঞ্চালক ড° ডি ৰামায়াই। উল্লেখ্য যে অসমত ঔষধি উদ্ভিদৰ পৰা কেন্সাৰ প্ৰতিৰোধী ঔষধবিধ উদ্ভাৱন কৰা হৈছে প্ৰতিষ্ঠানটোৰ উদ্ভিদ বিজ্ঞান বিভাগ আৰু প্ৰাকৃতিক দ্ৰব্য ৰসায়ন বিভাগৰ যৌথ প্ৰচেষ্টাত। তদুপৰি এই গৱেষণাত সহযোগ কৰিছে পশ্চিমবংগ বিশ্বভাৰতী বিশ্ববিদ্যালয়ে। কেন্সাৰ আক্ৰান্ত ৰোগীসকলৰ ২৪ শতাংশৰে মৃত্যু হয় হাওঁফাওঁৰ কেন্সাৰত। গতিকে যোৰহাটত থকা চি এছ আই আৰৰ অধীনৰ উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ বিজ্ঞানীসকলে উদ্ভাৱন কৰা এই বিশেষ ঔষধবিধে বিশ্বৰ চিকিৎসা জগততো এক নতুন আশাৰ সঞ্চাৰ কৰিছে।

উল্লেখ্য যে কেন্সাৰ ৰোগীক প্ৰধানকৈ কেম'থেৰাপী, ৰেডিয়েচন আৰু ছাৰ্জাৰীৰ পদ্ধতিৰে চিকিৎসা কৰা হয়। কিন্তু উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানৰ বিজ্ঞানীসকলে উদ্ভাৱন কৰা ঔষধবিধ ৰোগীৰ দেহত ইনহিলেচন পদ্ধতিৰে প্ৰয়োগ কৰা হয়। অৰ্থাৎ এই নতুন ঔষধবিধ বাষ্পীভূত কৰি ৰোগীৰ নাকেৰে কেন্সাৰ আক্ৰান্ত হাওঁফাওঁৰ ভিতৰলৈ পঠোৱা হয়। উক্ত ঔষধবিধে মৃত্যুমুখী কেন্সাৰ ৰোগীৰ দেহত অভাৱনীয় ফল প্ৰদৰ্শন কৰা বুলি প্ৰতিষ্ঠানটোৰ বিজ্ঞানী আৰু চিকিৎসকে লগতে জানিবলৈ দিছে। উল্লেখ্য যে এই ঔষধবিধ উদ্ভাৱন কৰাৰ পাচত পোনপ্ৰথমবাৰৰ বাবে প্ৰতিষ্ঠানটোৰে এজন কৰ্মচাৰীৰ হাওঁফাওঁৰ কেন্সাৰ আক্ৰান্ত পত্নীৰ দেহত প্ৰয়োগ কৰা হৈছিল। জানিব পৰামতে, উক্ত ৰোগীগৰাকীক গুৱাহাটীৰ বি বৰুৱা কেন্সাৰ হাস্পতালৰ পৰা অন্তিম ক্ষণ সমাগত বুলি ঘূৰাই পঠোৱা হৈছিল। কিন্তু উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানটোৱে উদ্ভাৱন কৰা ঔষধবিধৰ ফৰ্মূলাটো জাইডাছ কেডিলা নামৰ দেশৰ এটা প্ৰখ্যাত ফাৰ্মাচিউটিকেল কোম্পানীয়ে গ্ৰহণ কৰে। সম্প্ৰতি কোম্পানীটোৱে এই ঔষধবিধৰ কাৰ্যকৰিতা সম্পৰ্কে এলানি ক্লিনিকেল টেষ্ট চলাই আছে। এই পৰীক্ষাতো অতি উৎসাহজনক ফল পোৱা বুলি জানিব পৰা হৈছে। চিকিৎসকৰ মতে হাওঁফাওঁৰ কেন্সাৰ আক্ৰান্ত ৰোগীৰ নষ্ট হৈ যাবলৈ ধৰা টিছুসমূহ এই ঔষধ গ্ৰহণৰ পাচত সবল হৈ পৰাৰ উপৰি অন্যান্য বিসংগতিসমূহো হ্ৰাস পোৱা পৰিলক্ষিত হৈছে। দৈনিক দুই-তিনিবাৰকৈ ডিক্স ইনহেলাৰৰ দৰে ৰোগীক এই ঔষধৰ কেৱল গোন্ধ ল'বলৈ দিয়া হয়। ফলত ঔষধ সহজেই ৰোগীৰ কেন্সাৰ আক্ৰান্ত হাওঁফাওঁৰ ভিতৰত প্ৰৱেশ কৰে। এই ঔষধ প্ৰদান কৰা উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তি প্ৰতিষ্ঠানৰ এজন জ্যেষ্ঠ চিকিৎসকৰ মতে আমি চিকিৎসালয়ৰ পৰা ঘূৰি অহা মৃত্যুমুখী ৰোগীকহে তেওঁলোকৰ অনুমতিসাপেক্ষে এই ঔষধ প্ৰয়োগ কৰি চাইছো। কিন্তু অভাৱনীয় সুফল লাভ কৰা পৰিলক্ষিত হৈছে। এই ঔষধ প্ৰয়োগ কৰাৰ ফলত অতি সংকটাপন্ন হৈ পৰা হাওঁফাওঁৰ কেন্সাৰ ৰোগী যথেষ্ট দিন জীয়াই থাকিবলৈ সক্ষম হৈছে। অৱশ্যে এই ঔষধ প্ৰস্তুত কৰোতে ব্যৱহাৰ কৰা অসমৰ থলুৱা উদ্ভিদসমূহৰ নাম বিজ্ঞানীসকলে সদৰী কৰা নাই। তেওঁলোকে মাত্ৰ কয়, ইয়াত দহবিধৰো কম উদ্ভিদৰ উপাদান মাত্ৰ ব্যৱহাৰ কৰা হৈছে। উল্লেখ্য যে কেইবছৰমানৰ পূৰ্বে উত্তৰ-পূব বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠানে এবিধ বিশেষ ভেষজ এণ্টি-আৰ্থ্ৰাইটিছ মলম উদ্ভাৱন কৰি দেশজোৰা সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছিল। উক্ত মলমবিধ বৰ্তমান কুডছ আদি কেইবাটাও কোম্পানীয়ে উৎপাদন কৰি বজাৰত এৰি দিছে। ইয়াৰ পাচতে প্ৰতিষ্ঠানটোৰ বিজ্ঞানীসকলে উদ্ভাৱন কৰিছে হাওঁফাওঁৰ কেন্সাৰ প্ৰতিৰোধকাৰী এইবিধ বিশেষ ঔষধ।